**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 27-12-2025
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অতি শীঘ্ৰে উমৈহতীয়া সন্ত্ৰাসবাদ বিৰোধী গোট গঠন কৰিবলৈ প্ৰতিখন ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধানক নিৰ্দেশ দিছে।

২। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি চাৰিদিনীয়া কাৰ্যসূচীৰে গোৱা, কৰ্ণাটক আৰু ঝাৰখণ্ডলৈ যাব।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত অনুষ্ঠিত পঞ্চমসংখ্যক মুখ্য সচিবসকলৰ ৰাষ্ট্ৰীয় সন্মিলনত আজি আৰু কাইলৈ অধ্যক্ষতা কৰিব।

৪। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী জে পি নাড্ডাই ২০২৭ চনৰ ভিতৰত যক্ষ্মামুক্ত ভাৰত গঢ়াৰ বাবে সকলোকে একগোট হৈ কাম কৰিবলৈ আহ্বান জনাইছে। *আৰু*

৫। ভাৰতৰ মহিলা ক্ৰিকেট দলে তিৰুৱনন্তপুৰমত অনুষ্ঠিত তৃতীয়খন খেলত জয়লাভ কৰি শ্ৰীলংকাৰ বিৰুদ্ধে টি-২০ শৃংখলা দখল কৰাটো সুনিশ্চিত কৰিছে।

০০০০০

গৃহমন্ত্ৰী অমিত শ্বাহে সমগ্ৰ দেশতে Common Anti Terrorism Squad অৰ্থাৎ উমৈহতীয়া সন্ত্ৰাসবাদ বিৰোধী গোট গঠনৰ বাবে আহ্বান জনাইছে আৰু ৰাজ্যৰ আৰক্ষী সঞ্চালক প্ৰধানসকলক অতি শীঘ্ৰে এই নিৰ্দেশ কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছে। তেওঁ কয় যে, সমগ্ৰ দেশতে আৰক্ষীৰ বাবে এ-টি-এছ গঠনে, প্ৰতিটো স্তৰতে সন্ত্ৰাসবাদী আক্ৰমণ প্ৰতিহত কৰিবলৈ সকলোকে সাজু থকাৰ সুযোগ প্ৰদান কৰিব। কালি নতুন দিল্লীত ৰাষ্ট্ৰীয় তদন্ত সংস্থাই আয়োজন কৰা দুদিনীয়া 'সন্ত্ৰাসবাদ বিৰোধী সন্মিলন-২০২৫' উদ্বোধন কৰি কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে।

তেওঁ উল্লেখ কৰে যে NIA-ই এটা উমৈহতীয়া এ-টি-এছ ব্যৱস্থা গঢ়ি তোলাৰ বাবে নিৰন্তৰ কাম কৰিছে আৰু ইতিমধ্যে ৰাজ্যিক আৰক্ষী বাহিনীৰ সৈতে এইক্ষেত্ৰত সংযুক্তও হৈছে। শ্ৰীশ্বাহে কয় যে, এনেধৰণৰ গাঁথনি বা ব্যৱস্থাই সমগ্ৰ দেশৰ প্ৰতিটো স্তৰতে উপযুক্ত প্ৰস্তুতি আৰু সঁহাৰি ব্যৱস্থা নিশ্চিত কৰিব।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে নতুন প্ৰজন্মই ভৱিষ্যতৰ প্ৰত্যাহ্বানসমূহ দৃঢ়তাৰে প্ৰতিহত কৰিব পৰাকৈ দেশত এটা অভেদ্য আৰু শক্তিশালী সন্ত্ৰাসবাদ বিৰোধী পৰিৱেশ গঢ়ি তোলাৰ প্ৰয়োজনীয়তাত আলোকপাত কৰে। তেওঁ গুৰুত্ব আৰোপ কৰি কয় যে সন্ত্ৰাসবাদী কাৰ্যকলাপত প্ৰযুক্তিৰ ব্যৱহাৰৰ বাবে সন্ত্ৰাসবাদৰ পৰিৱেশ সলনি হৈছে আৰু সেয়ে দেশ এইক্ষেত্ৰত এতিয়া দুখোজ আগুৱাই থাকিব লাগিব। তেওঁ লগতে কয় যে চৰকাৰে সংগঠিত অপৰাধৰ ওপৰত ৩৬০ ডিগ্ৰী আঘাতৰ বাবে কাৰ্য্য পৰিকল্পনা সাজু কৰিছে। ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী সামৰ্থ্য অধিক বৃদ্ধিৰ বাবে দেশ তথা বিশ্বত সংঘটিত হোৱা প্ৰতিটো সন্ত্ৰাসবাদী ঘটনাৰ বিশ্লেষণ সকলো সংস্থাই কৰা উচিত বুলিও তেওঁ মন্তব্য কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, নৰেন্দ্ৰ মোদী চৰকাৰে দেশত দৃঢ়তাৰে সন্ত্ৰাস ৰোধ কৰি আছে। নতুনকৈ উদ্ভৱ হোৱা যিকোনো ভাবুকিৰ বিৰুদ্ধে সাজু হ'বলৈ এই বাৰ্ষিক সন্মিলনখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সন্ত্ৰাসবাদৰ বিৰুদ্ধে শূন্য সহনশীলতাৰ দৃষ্টিভংগীক বাস্তৱায়িত কৰিবলৈ এখন মঞ্চত পৰিণত হোৱা বুলিও তেওঁ উল্লেখ কৰে ।

শ্ৰী শ্বাহে কয় যে, পেহেলগাম আৰু দিল্লী বিস্ফোৰণৰ গোচৰৰ তদন্ত সাধাৰণ আৰক্ষী তদন্ত প্ৰক্ৰিয়া নহয়, ই পানী নসৰকা তদন্তৰ এটি দৃষ্টান্ত। তেওঁ লগতে কয় যে এইবোৰো এটা ডাঙৰ উদাহৰণ যে এগৰাকী সতৰ্ক বিষয়াই সকলো সময়তে সজাগ হৈ থাকি কেনেকৈ দেশখনক এনে বৃহৎ সংকটৰ পৰা ৰক্ষা কৰিব পাৰে।

তেওঁ কয় যে প্ৰথমবাৰলৈ অপাৰেচন সিন্দুৰৰ জৰিয়তে সন্ত্ৰাসবাদী কাণ্ডৰ পৰিকল্পনা কৰাসকলক নিৰাপত্তা বাহিনীয়ে শাস্তি প্ৰদান কৰাৰ লগতে অপাৰেচন মহাদেৱৰ জৰিয়তে সন্ত্ৰাসবাদীসকলক নিষ্ক্ৰিয় কৰিছে। দিল্লীত সংঘটিত হোৱা বিস্ফোৰণৰ চৰজমিন তদন্ত চলোৱাৰ বাবে তেওঁ জম্মু-কাশ্মীৰ আৰক্ষীক প্ৰশংসা কৰে। তেওঁ কয়, দিল্লীৰ এই কাণ্ড ৪০ কিলোগ্ৰাম বিস্ফোৰকেৰে সংঘটিত হোৱাৰ বিপৰীতে ৩ টন বিস্ফোৰক বিস্ফোৰণৰ পূৰ্বে উদ্ধাৰ কৰা হৈছে। শ্ৰী শ্বাহে আঙুলিয়াই দিয়ে যে এই ষড়যন্ত্ৰৰ সৈতে জড়িত সমগ্ৰ দলটোক দিল্লী বিস্ফোৰণ সংঘটিত হোৱাৰ আগতেই গ্ৰেপ্তাৰ কৰা হৈছিল। তেওঁ কয় যে এই কাণ্ডৰ আঁৰৰ নেটৱৰ্কৰ তদন্ত - প্ৰতিটো সংস্থাই অতি ফলপ্ৰসূভাৱে সম্পন্ন কৰিছে।

কালিৰ এই অনুষ্ঠানত শ্ৰী শ্বাহে সন্ত্ৰাসবাদ বিৰোধী ব্যৱস্থাত প্ৰশংসনীয় সেৱা আৰু অৱদানৰ বাবে ৯ গৰাকী NIA জোৱানক সেৱা পদক আৰু বীৰতা পদকেৰে সন্মানিত কৰে।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি চাৰিদিনীয়া কাৰ্যসূচীৰে গোৱা, কৰ্ণাটক আৰু ঝাৰখণ্ডলৈ যাব। ভ্ৰমণৰ প্ৰথম পৰ্যায়ত আজি ৰাষ্ট্ৰপতিগৰাকী সন্ধিয়া গোৱাত উপস্থিত হ'ব। কাইলৈ শ্ৰীমতী মুৰ্মু কৰ্ণাটকৰ কাৰ্ৱাৰ বন্দৰত এখন চাবমেৰিণত কিছু সময়ৰ বাবে যাত্ৰা কৰিব। পৰহি তেওঁ ঝাৰখণ্ডৰ জামছেদপুৰত অ' আই চিকি অৰ্থাৎ চাওতালী লিপিৰ শতবৰ্ষ উদযাপন অনুষ্ঠানত ভাগ ল'ব। উল্লেখযোগ্য যে অ' আই চিকিয়ে চাওতাল জনগোষ্ঠীৰ সংস্কৃতি আৰু ভাষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব বহন কৰে। একে দিনাই তেওঁ এন আই টি জামছেদপুৰৰ পঞ্চদশ সমাৱৰ্তনত অংশ ল'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে ৩০ ডিচেম্বৰত ঝাৰখণ্ডৰ গুমলাৰ আন্তঃৰাজ্য জনসাংস্কৃতিক সমাগম সমাৰোহ - কাৰ্তিক যাত্ৰাত অংশগ্ৰহণ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীত অনুষ্ঠিত পঞ্চমসংখ্যক মুখ্য সচিবসকলৰ ৰাষ্ট্ৰীয় সন্মিলনত আজি আৰু কাইলৈ অধ্যক্ষতা কৰিব। তিনিদিনীয়াকৈ আয়োজন কৰা এই সন্মিলনৰ আজি দ্বিতীয় দিন। এই সন্মিলনৰ মূল উদ্দেশ্য হৈছে- ৰাষ্ট্ৰীয় উন্নয়নৰ অগ্ৰাধিকাৰৰ ওপৰত গাঁথনিগত আৰু স্থায়ী আলোচনাৰ জৰিয়তে কেন্দ্ৰ আৰু ৰাজ্যৰ অংশীদাৰিত্ব শক্তিশালী কৰা। সন্মিলনত এটা উমৈহতীয়া উন্নয়নমূলক কাৰ্যসূচী চূড়ান্ত কৰাৰ লক্ষ্যৰে গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হ'ব। ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে অনুসৰণ কৰিবলগীয়া বিকশিত ভাৰতৰ বাবে মানৱ মূলধন বিষয়টোৰ উত্তম পদ্ধতি আৰু কৌশলসমূহ এই সন্মিলনত আলোচনা কৰা হ'ব। এই বিষয়বস্তুৰ অধীনত পাঁচটা মূল ক্ষেত্ৰ – প্ৰাথমিক শিশু শিক্ষা, স্কুলীয়া শিক্ষা, দক্ষতা, উচ্চ শিক্ষা, ক্ৰীড়া আৰু সহ-পাঠ্যক্ৰমৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হ'ব। এই সন্মিলনত মুখ্য সচিব, সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহৰ বিষয়া আৰু বিশেষজ্ঞসকলে অংশগ্ৰহণ কৰিছে।

বিগত ৪ বছৰ ধৰি মুখ্য সচিবসকলৰ ৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত হৈছে। ২০২২ চনৰ জুনত এই সন্মিলন প্ৰথমবাৰলৈ অনুষ্ঠিত হৈছিল।

০০০০০

২০২৭ চনৰ ভিতৰত যক্ষ্মামুক্ত ভাৰত গঢ়াৰ বাবে সকলোৱে একগোট হৈ কাম কৰিব লাগিব। নতুন দিল্লীত মধ্যপ্ৰদেশ আৰু চত্তীশগড়ৰ বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হৈ কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জগত প্ৰকাশ নাড্ডাই এইদৰে প্ৰকাশ কৰে। স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে  দৰৱ নিয়ন্ত্ৰণ আৰু দৰৱৰ যোগান শৃংখলত গুৰুত্ব আৰোপ কৰে। দুয়োখন ৰাজ্যকে যোগান শৃংখল শক্তিশালী কৰি বিনামূলীয়া দৰৱৰ লগতে বিনামূলীয়া ৰোগ নিৰ্ণয়ৰ বাবে আঁচনি গ্ৰহণ কৰিবলৈও আহ্বান জনায়। তেওঁ ৰোগ নিৰ্ণয় স্বাস্থ্যসেৱাৰ মেৰুদণ্ড বুলি উল্লেখ কৰি প্ৰাথমিক, মাধ্যমিক আৰু তৃতীয় পৰ্যায়ৰ ৰোগ নিৰ্ণয় সেৱাসমূহ শক্তিশালী কৰাটো জৰুৰী বুলি উল্লেখ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে ব্লাড বেংক, হাস্পতালৰ বিভিন্ন দিশ আৰু সুৰক্ষাৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰে। যক্ষ্মা ৰোগ নিৰ্মূল সন্দৰ্ভত শ্ৰীনাড্ডাই কয়, যে পৰীক্ষা, পুষ্টি আৰু সঠিক সময়ত ৰোগ নিৰ্ণয় প্ৰক্ৰিয়াত বিশেষ ভূমিকা গ্ৰহণ কৰে। বৈঠকত জনস্বাস্থ্য সুৰক্ষিত কৰা ৰোগীৰ সন্তুষ্টি উন্নত কৰা, ৰাষ্ট্ৰীয় স্বাস্থ্য কাৰ্যসূচী ত্বৰান্বিত কৰা আদি বিষয়ত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০

ৰাজস্থানৰ চুৰু জিলাত কালি সন্ধিয়া সংঘটিত এটা পথ দুৰ্ঘটনাত ৫ গৰাকী লোক নিহত হোৱাৰ লগতে তিনিগৰাকী লোক গুৰুতৰভাৱে আহত হয়। আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি এখন ট্ৰেইলাৰ আৰু এছ ইউ ভি বাহনৰ মাজত সংঘৰ্ষৰ ফলত এই দুৰ্ঘটনা সংঘটিত হয়। এছ ইউ ভি বাহনখনত থকা এগৰাকী মহিলা থিতাতে নিহত হয়।

০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই কালি ভাৰতীয় ফাৰ্মাক'পিয়া আয়োগৰ কাম-কাজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ফাৰ্মাক'পিয়েলৰ মানদণ্ড, ফাৰ্মা-কো-ভিজিলেন্স ব্যৱস্থা আৰু নিয়ন্ত্ৰণ প্ৰক্ৰিয়া শক্তিশালী কৰাৰ ক্ষেত্ৰত আয়োগৰ ভূমিকাৰ শলাগ লয়। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে দেশ তথা বিশ্বৰ জনতাৰ বাবে ঔষধৰ গুণগত মান, সুৰক্ষা আৰু কাৰ্যকৰিতা নিশ্চিত কৰাৰ ক্ষেত্ৰত আয়োগে গুৰুত্বপূৰ্ণ অৰিহণা আগবঢ়াই আহিছে। এই প্ৰচেষ্টাসমূহে আত্মনিৰ্ভৰ ভাৰতৰ সংকল্পক বাস্তৱায়িত কৰি ভাৰতবৰ্ষৰ ক্ৰমবৰ্ধমান বৈজ্ঞানিক আত্মনিৰ্ভৰশীলতাক প্ৰতিফলিত কৰা বুলিও শ্ৰীনাড্ডাই উল্লেখ কৰে।

০০০০০

ক্ৰমাগত তৃতীয়খন খেলতো জয়লাভ কৰি ভাৰতৰ মহিলা ক্ৰিকেট দলে শ্ৰীলংকাৰ বিৰুদ্ধে টি-২০ শৃংখলা দখল কৰাটো সুনিশ্চিত কৰিছে। পাঁচখনীয়া শৃংখলাৰ কালি তিৰুৱনন্তপুৰমৰ গ্ৰীণফিল্ড ইণ্টাৰনেচনেল ষ্টেডিয়ামত অনুষ্ঠিত তৃতীয় খেলখনত ভাৰতে ৮ উইকেটত জয়লাভ কৰে। ইয়াৰ পূৰ্বৰ খেল দুখনত ভাৰত ক্ৰমে ৮ আৰু ৭ উইকেটত জয়ী হৈছিল। কালি প্ৰথমে বেটিং কৰিবলৈ আমন্ত্ৰণ লাভ কৰা শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেট হেৰুৱাই ১১২ ৰান কৰে। প্ৰত্যুত্তৰত ছেফালী বাৰ্মাৰ ৪২টা বলত কৰা ৭৯ ৰানৰ বেটিং পৰাক্ৰমৰ সহায়ত ১৩ অভাৰত আৰু দুটা বলত দুটা উইকেট হেৰুৱাই ভাৰত নিৰ্ধাৰিত লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হয়। খেলখনত ৪টা উইকেট লাভ কৰা ভাৰতৰ ৰেণুকা সিং ঠাকুৰক শ্ৰেষ্ঠ খেলুৱৈৰূপে নিৰ্বাচন কৰা হয়।

০০০০০

সমাপ্ত